অসম বিধান সভা
তৰাচিহ্নিত প্ৰশ্ন নং : ৫৯
উত্তৰ দানৰ তাৰিখ –০৮/০৭/২০২৬

*বিষয়* : **মুখ্যমন্ত্ৰী অসম উদ্যমিতা আঁচনিৰ ধন সম্পৰ্কে ।**

বিধায়ক: শ্ৰী মজিবুৰ ৰহমান :

প্ৰশ্ন

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মুখ্যমন্ত্ৰী অসম উদ্যমিতা আঁচনিৰ ধন অসমৰ সকলো সমষ্টিৰ জীৱিকা সখী ( JEEVIKA SAKHI )সকলে লাভ কৰিছেনে ? অসম উদ্যমিতা আঁচনিৰ ধন দলগাঁও সমষ্টিৰ জীৱিকা সখী সকলে নোপোৱাৰ কাৰণ কি ? তেখেত সকলক এই আঁচনিৰ ধন দিয়াৰ বাবে চৰকাৰে বা সংশ্লিষ্ট বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে ? ( সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব )

(খ) অসম ৰাজ্যিক গ্ৰামোন্নয়ন জীৱিকা মিছনৰ ( Assam State Rural Livelihood Mission) অধীনত কৰ্মৰত জীৱিকা সখী সকলৰ মাহিলী নূন্যতম দহ হাজাৰ ( 10,000.00) টকা নিয়মিত মাননী দিয়াৰ ব্যৱস্থা চৰকাৰে ও সংশ্লিষ্ট বিভাগে কৰিবনে ? যদি কিবা ব্যৱস্থা গ্ৰহণ কৰে কেতিয়ালৈ কৰিব ? ( সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব )

উত্তৰ

মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী **শ্ৰীযুত অতুল বৰা** দেৱে উত্তৰ দিবঃ

(ক) মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন অসমৰ সকলো আত্ম সহায়ক গোটৰ মহিলাই লাভ কৰা নাই।

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কাৰ্য্যসূচীত বিগত চৰকাৰৰ আমোলত ২০২৫ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখৰ পৰা ২০২৬ চনৰ মাৰ্চ মাহৰ ১২ তাৰিখ পৰ্য্যন্ত অসম বিধান সভাৰ সমষ্টি অনুযায়ী অনুষ্ঠিত কৰা হৈছিল। এনেদৰে ১১৮ টা সমষ্টিত এই সভাসমূহ অনুষ্ঠিত কৰাৰ পাছত বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী আচৰণবিধি বলবৎ হয় আৰু দলগাঁওকে ধৰি কেইটামান সমষ্টি বাদ পৰি যায়।

(সবিশেষ তথ্য **পৰিশিষ্ট-ক** ত সংলগ্ন কৰা হ'ল)।

(খ) অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সখীসকলৰ মাহেকীয়া মাননী সময়মতে মোকলাই দিয়াৰ বাবে অভিযানে প্ৰচেষ্টা হাতত লৈছে। সেই অনুযায়ী প্ৰতি মাহৰ বিল পৰিশোধ কৰাৰ বাবে গ্ৰহণ কৰা কাৰ্য্যব্যবস্থা এনে ধৰণৰ :-

১) সখীৰ দ্বাৰা মাহেকীয়া বিল দাখিল পৰৱৰ্তী মাহৰ ২ তাৰিখ।

২) ব্লক মিছন পৰিচালনা ইউনিট (BMMU) ৰ দ্বাৰা বিল পৰীক্ষা- মাহৰ ৭ তাৰিখ।

৩) জিলা মিছন পৰিচালনা ইউনিট (DMMU) ৰদ্বাৰা বিল প্ৰেৰণ- মাহৰ ১০ তাৰিখ।

৪) ৰাজ্যিক মিছন পৰিচালনা ইউনিট (SMMU) ৰ দ্বাৰা অনুমোদন প্ৰেৰণ- মাহৰ ১৫ তাৰিখ।

(সবিশেষ তথ্য **পৰিশিষ্ট-ক** ত সংলগ্ন কৰা হ'ল)।

১০,০০০ টকা মাননিৰ বৃদ্ধিৰ ব্যৱস্থা সন্দৰ্ভত চৰকাৰে পৰৱৰ্তী সময়ত বিবেচনা কৰিব। মাননিৰ উপৰিও অসম চৰকাৰে সখীসকলৰ যাতায়াতৰ সুবিধাৰ বাবে একোখনকৈ স্কুটাৰ প্ৰদান কৰিছে। এই ব্যৱস্থা দেশৰ ভিতৰতে বিৰল।

( সংলগ্ন পত্ৰ সমূহ “**cms.neva.gov.in**” পোৰ্টেলত আপলোড কৰা হৈছে )
(Enclosures are uploaded in the “**cms.neva.gov.in**” portal.)
*******

# GOVERNMENT OF ASSAM
অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান
ASSAM STATE RURAL LIVELIHOODS MISSION
*(Department of Panchayat and Rural Development)*
SIVA NATH GOGOI PATH, PANJABARI, GUWAHATI, ASSAM -781037


**No: ASRLM/AQ/67/2026/07** **Date: 03/07/2026**

From,

Kuntal Moni Sarmah Bordoloi, IAS
State Mission Director
Assam State Rural Livelihoods Mission
Guwahati, Assam- 781037

To,

The Joint Commissioner,
O/o the Commissioner, P&RD Department
Juripar, Panjabari, Guwahati-37

**Subject: Reply to Provisional Starred Priority Question for the Assam Legislative Assembly Dy. No. 29 to be asked by Shri Majibur Rahman, Hon'ble MLA.**

**Ref: CPRD/AQ/08/2026/ dated 01/07/2026**

Sir,

With reference to the subject cited above, I have the honour to submit herewith the reply along with the supplementary note to the Provisional Starred Priority Question for the Assam Legislative Assembly **Dy. No. 29** to be asked by Shri Majibur Rahman, Hon'ble MLA.

This is for your kind information and necessary action.

Thanking you.

*Enclosure: As stated above*

Yours Faithfully,

State Mission Director, ASRLM

**No: ASRLM/AQ/67/2026/07-A** **Date: 03/07/2026**

**Copy to:**

1. The Additional Chief Secretary to the Govt. of Assam, Panchayat & Rural Development Department, Dispur for favour of kind information.
2. The Joint Secretary to the Govt. of Assam, Panchayat & Rural Development Department, Dispur for kind information.
3. Office copy

Sd/-
State Mission Director, ASRLM


Email: asrlms.india@gmail.com Website: asrlms.assam.gov.in Phone No.: 03612330542

**Priority Question for the Assam Legislative Assembly**

**PROVISIONAL STARRED**

**Diary No. ২৯**

**Date of Reply: ০৮-০৭-২০২৬**

**Department: পঞ্চায়ত আৰু গ্ৰামোন্নয়ন ।**

**Name : শ্ৰী মজিবুৰ ৰহমান।**

**বিষয়: মুখ্যমন্ত্ৰী অসম উদ্যমিতা আঁচনিৰ ধন সম্পৰ্কে।**

(ক) মুখ্যমন্ত্ৰী অসম উদ্যমিতা আঁচনিৰ ধন অসমৰ সকলো সমষ্টিৰ জীৱিকা সখী (JEEVIKA SAKHI) সকলে লাভ কৰিছেনে? অসম উদ্যমিতা আঁচনিৰ ধন দলগাঁও সমষ্টিৰ জীৱিকা সখী সকলে নোপোৱাৰ কাৰণ কি? তেখেত সকলক এই আঁচনিৰ ধন দিয়াৰ বাবে চৰকাৰে বা সংশ্লিষ্ট বিভাগে কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

উত্তৰঃ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন অসমৰ সকলো আত্ম সহায়ক গোটৰ মহিলাই লাভ কৰা নাই। চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া কেতবোৰ বাচনিৰ চৰ্ত অনুসৰিহে এই আঁচনিৰ হিতাধিকাৰী সকলক নিৰ্বাচিত কৰা হৈছে। চৰ্তৰ আওতাত নপৰা সদস্যা অথবা জীৱিকা সখী সকল এই আঁচনিৰ বাবে নিৰ্বাচিত হোৱা নাই।

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ ধন বিতৰণ কাৰ্য্যসূচীত বিগত চৰকাৰৰ আমোলত ২০২৫ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখৰ পৰা ২০২৬ চনৰ মাৰ্চ মাহৰ ১২ তাৰিখ পৰ্য্যন্ত অসম বিধান সভাৰ সমষ্টি অনুযায়ী অনুষ্ঠিত কৰা হৈছিল। এনেদৰে ১১৮ টা সমষ্টিত এই সভাসমূহ অনুষ্ঠিত কৰাৰ পাছত বিধানসভা নিৰ্বাচনৰ নিৰ্বাচনী আচৰণবিধি বলবৎ হয় আৰু দলগাঁওকে ধৰি কেইটামান সমষ্টি বাদ পৰি যায়।

(খ) অসম ৰাজ্যিক গ্ৰামোন্নয়ন জীৱিকা মিছনৰ (Assam State Rural Livelihoods Mission) অধীনত কৰ্মৰত জীৱিকা সখী সকলৰ মাহিলী নূন্যতন দহ হাজাৰ (10,000.00) টকা নিয়মিত মাননী দিয়াৰ ব্যৱস্থা চৰকাৰে ও সংশ্লিষ্ট বিভাগে কৰিবনে? যদি কিবা ব্যৱস্থা গ্ৰহণ কৰে কেতিয়ালৈ কৰিব।

উত্তৰঃ অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সখীসকলৰ মাহেকীয়া মাননী সময়মতে মোকলাই দিয়াৰ বাবে অভিযানে প্ৰচেষ্টা হাতত লৈছে। সেই অনুযায়ী প্ৰতি মাহৰ বিল পৰিশোধ কৰাৰ বাবে গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থা এনে ধৰণৰ-

১) সখীৰ দ্বাৰা মাহেকীয়া বিল দাখিল – পৰৱৰ্তী মাহৰ ২ তাৰিখ।
২) ব্লক মিছন পৰিচালনা ইউনিট (BMMU) ৰ দ্বাৰা বিল পৰীক্ষা - মাহৰ ৭ তাৰিখ।
৩) জিলা মিছন পৰিচালনা ইউনিট (DMMU) ৰ দ্বাৰা বিল প্ৰেৰণ - মাহৰ ১০ তাৰিখ।
৪) ৰাজ্যিক মিছন পৰিচালনা ইউনিট (SMMU) ৰ দ্বাৰা অনুমোদন প্ৰেৰণ - মাহৰ ১৫ তাৰিখ।